# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 26-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। ৰাজ্যত খৰাং পৰিস্থিতি ঘোষণা কৰাৰ বাবে চৰকাৰে প্ৰস্তুতি চলাই আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষকৰ নিযুক্তি ৰাজ্য চৰকাৰ উচিত সিদ্ধান্ত বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মত প্ৰকাশ।

৩। মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি।

৪। কাৰ্গিল যুদ্ধক সুঁৱৰি আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদ্‌যাপন। অসমতো শ্বহীদ সেনা জোৱানক সোঁৱৰণ।

*আৰু*

৫। অ'ল্ড ট্ৰেফ'ৰ্ড টেষ্টৰ তৃতীয় দিনা ৭ উইকেটৰ বিনিময়ত ইংলেণ্ডৰ ৫৪৪ ৰানৰ বৃহৎ স্ক'ৰ।

০০০০০০০০

ৰাজ্যত বৰষুণ নহ'লে খৰাং পৰিস্থিতি ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰিছে। বৰষুণৰ অভাৱত খেতি-পথাৰত চিৰাল ফাঁট মেলাত কৃষকে ভুঁই ৰুব নোৱাৰা অৱস্থাৰ সৃষ্টি হোৱা সন্দৰ্ভত কালি সাংবাদিকৰ আগত উল্লেখ কৰি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যৰ শেহতীয়া খৰাং পৰিস্থিতি সন্দৰ্ভত চৰকাৰে নজৰ ৰাখিছে। সাধাৰণতে অসমত আগষ্টলৈকে কঠীয়া পাৰিব পাৰি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যদি বৰষুণ নহয়, তেতিয়াহ'লে চৰকাৰে ৰাজ্যত আনুষ্ঠানিকভাৱে খৰাং পৰিস্থিতি ঘোষণা কৰিব লাগিব। ইতিমধ্যে ইয়াৰ বাবে চৰকাৰে প্ৰস্তুতিও চলাই আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। খৰাং পৰিস্থিতি ঘোষণা হ'লে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা কৃষকসকলক ৰাজ্য চৰকাৰে সহায় কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

বাইট

উল্লেখযোগ্য যে ৰাজ্যত অস্বাভাৱিকভাৱে বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত ২৭ খন জিলাৰ ঠায়ে ঠায়ে খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰে ১৪ খন জিলাত বৰষুণ যথেষ্ট হ্ৰাস পোৱাৰ লগতে ১৩ খন জিলাত বৰষুণ পূৰ্বৰ তুলনাত কিছু পৰিমাণে হ্ৰাস পাইছে। যাৰবাবে এই জিলাকেইখনৰ কৃষকসকল তীব্ৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই গৃহমন্ত্ৰী অমিত শ্বাহক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যৰ শেহতীয়া খৰাংসদৃশ পৰিস্থিতিৰ বিষয়ে ইতিমধ্যে অৱগত কৰিছে। ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিয়ে দেখা দিলে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি শিতানৰ পৰা অসমক সহায় কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক মন্ত্ৰী শ্ৰী মহন্তই অনুৰোধ জনাইছে। এই সন্দৰ্ভত ৰাজহ মন্ত্ৰীগৰাকীয়ে গৃহমন্ত্ৰীৰ হাতত এখন পত্ৰও অৰ্পণ কৰিছে। যোৱা বৃহস্পতিবাৰে ৰাজহ মন্ত্ৰী কেশৱ মহন্তই গৃহমন্ত্ৰী শ্ৰী শ্বাহক সাক্ষাৎ কৰাৰ সময়ত গৃহমন্ত্ৰীগৰাকীয়ে বিষয়টো সন্দৰ্ভত সকলোধৰণৰ সহযোগিতাৰ আশ্বাস দিছে।

০০০০০০০০

ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষকৰ নিযুক্তি ৰাজ্য চৰকাৰৰ উচিত সিদ্ধান্ত বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উল্লেখ কৰিছে। গুৱাহাটীত কালি এই কথা ঘোষণা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে অভিজ্ঞ শিক্ষক নথকা বাবে বৰ্তমান আদৰ্শ মহাবিদ্যালয়সমূহ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। এই মহাবিদ্যালয়সমূহক সঠিক দিশত নেতৃত্ব দিয়াৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে অভিজ্ঞ শিক্ষক নথকা বাবে আদৰ্শ মহাবিদ্যালয়সমূহৰ নৱনিযুক্ত শিক্ষকসকলৰ বাবে মহাবিদ্যালয়ৰ কামকাজ আগবঢ়াই নিয়াতো যথেষ্ট কঠিন হৈছে। এনে পৰিস্থিতিত মহাবিদ্যালয়সমূহক কম সময়ত আগবঢ়াই নিয়াৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত ইতিবাচক। অৱশ্যে ৰাজ্যৰ আন মহাবিদ্যালয়সমূহত এই ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। মহাবিদ্যালয়ত শিক্ষকৰ বদলিকৰণৰ ব্যৱস্থা নথকাৰ বাবে আন মহাবিদ্যালয়ৰ পৰা যিহেতু জ্যেষ্ঠ শিক্ষক আনিব পৰা নাযায় সেয়ে অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মডেল কলেজসমূহত নতুন পদৰ সৃষ্টি কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

oooooooo

মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যসভাত এই সন্দৰ্ভত উত্থাপন কৰা প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত ৰাজ্যখনত ১৩ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হয়। সেই অনুসৰি ২০২৬ চনৰ ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত মণিপুৰত ৰাষ্ট্ৰপতি শাসন বাহাল থাকিব। উল্লেখযোগ্য যে গোষ্ঠীগত সংঘৰ্ষক লৈ মণিপুৰৰ পৰিস্থিতি অস্থিৰ হৈ পৰাৰ পাছত যোৱা ৯ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰিছিল। ইয়াৰ চাৰিদিন পাছতে অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত কেন্দ্ৰই ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰে। সংবিধানৰ নীতি অনুসৰি ৰাষ্ট্ৰপতি শাসন প্ৰথম অৱস্থাত ছমাহৰ বাবে বলৱৎ কৰা হয় আৰু সংসদৰ অনুমোদনক্ৰমে ছমাহৰ ব্যৱধানত ৩ বছৰলৈ এই ম্যাদ বৃদ্ধি কৰিব পাৰি।

oooooooo

বকোৰ সমীপৱৰ্তী অসম-মেঘালয় সীমান্তৰ গামৈৰীমুৰা, মালাং অঞ্চলত জৈৱিক পদ্ধতিৰে কৰা আনাৰস খেতিয়ে অসমৰ লগতে আন আন ৰাজ্যৰ চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যান শস্য বিভাগৰ সহযোগত সীমান্তৱৰ্তী অঞ্চলটোত খেতিয়কসকলে আনাৰসৰ কেইবাখনো বাগান গঢ়ি তুলিছে। এই বাগানসমূহত উৎপাদিত আনাৰসৰ বিক্ৰীৰ জৰিয়তে অঞ্চলটোৰ প্ৰায় ৫০০ কৃষক লাভবান হৈছে বুলি আমাৰ কামৰূপৰ সংবাদদাতাই জানিবলৈ দিয়ে। এই সন্দৰ্ভত স্থানীয় এগৰাকী কৃষকে এইদৰে কয়–

***(বাইট ঃ খেতিয়ক)***

oooooooo

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধক সুঁৱৰি আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদ্‌যাপন কৰা হৈছে। অসমৰ বিভিন্ন স্থানতো শ্বহীদ সেনা জোৱানসকলক সোঁৱৰণ কৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিণ্টু গগৈৰ সমাধিস্থলীতো বীৰ শ্বহীদগৰাকীক আজিৰ দিনটোত স্মৰণ কৰা হৈছে। গুৱাহাটীৰ শিলপুখুৰীত থকা যুদ্ধ স্মাৰকত শ্বহীদ স্মৰণ কাৰ্যসূচীৰ আয়োজন কৰাৰ লগতে শিলচৰৰ ই এণ্ড ডি কলনীৰ কাৰ্গিল শ্বহীদ স্মাৰকত শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। কাৰ্গিল বিজয় দিৱস উপলক্ষে কাছাৰ জিলা বিজেপিয়ে আজি সন্ধিয়া

শিলচৰত এটা সমদল উলিয়াব। এই কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পালৰ লগতে অসম প্ৰদেশ বিজেপিৰ সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজুৰেও অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা কাৰ্গিল যুদ্ধত ভাৰতে জয়লাভ কৰা আজি ২৬ বছৰ পূৰ্ণ হৈছে। ভাৰতীয় সেনাই বিজয় অভিযানৰ জৰিয়তে পাকিস্তানৰ সেনাই অকৰ্তৃত্বশীলভাৱে দখল কৰি থকা জম্মু-কাশ্মীৰৰ কাৰ্গিল ভূমিক উদ্ধাৰ কৰিছিল।

oooooooo

সদৌ অসম ছাত্ৰ সন্থাৰ **প্ৰত্যাশা** শীৰ্ষক পদক্ষেপৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰীক্ষাৰ্থীসকলে আজিৰে পৰা ৪ আগষ্টলৈ www.aasu.org.in ৱেবছাইটৰ যোগে আবেদন কৰিব পাৰিব। আবেদন কৰা পৰীক্ষাৰ্থীসকলৰ অহা ১০ আগষ্টত গুৱাহাটীৰ ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ত বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। বাছনি পৰীক্ষাত উত্তীৰ্ণসকলে মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। ইয়াৰ ভিতৰত অসমৰ পৰা ২৬ গৰাকী পৰীক্ষাৰ্থী বাচি উলিওৱা হ'ব। অসমৰ এই ২৬ গৰাকী পৰীক্ষাৰ্থীৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ১৪ গৰাকী পৰীক্ষাৰ্থীসহ মুঠ ৪০ গৰাকীক নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। পৰীক্ষাৰ্থীসকলক দিল্লীৰ বচা বচা প্ৰতিষ্ঠানত এই পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ব্যৱস্থা কৰা হ'ব। পৰীক্ষাৰ্থীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰস্তুতিৰ ব্যৱস্থা কৰাৰ উপৰি তেওঁলোকক মাহিলী জলপানিও প্ৰদান কৰা হ'ব।

oooooooo

মাধ্যমিক শিক্ষা সঞ্চালকালয়ে হিন্দীকে ধৰি অন্যান্য বিষয়ৰ স্নাতক পদৰ দ্বিতীয়খন কাট অফ মাৰ্কৰ তালিকা কালি প্ৰকাশ কৰিছে। কাট অফ মাৰ্ক অনুসৰি নথি পৰীক্ষাৰ বাবে যোগ্য বিবেচিত প্ৰাৰ্থীসকলৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰা হৈছে। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি তালিকাত নাম সন্নিৱিষ্ট হোৱা প্ৰাৰ্থীসকলে এডমিট কাৰ্ড ডাউনলোড কৰি নিৰ্ধাৰিত দিন আৰু সময়ত নথি পৰীক্ষণত উপস্থিত থাকিব লাগিব।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **'গ্ৰীষ্মকালীন শিবিৰ'** সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

oooooooo

তিনিচুকীয়াত কালি কেইবাটাও কাৰ্যসূচীৰ পঞ্চায়ত আৰু গ্ৰমোন্নয়ন তথা পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত হয়। তেওঁ জিলাখনৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, সাধাৰণ প্ৰশাসন, পৰ্যটন আদি বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনৰ ঘৰসমূহৰ নিৰ্মাণ ৩১ অক্টোবৰৰ ভিতৰত সমাপ্ত কৰিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰী শ্ৰী দাসে জিলাখনত নিৰ্মাণ কৰা অত্যাধুনিক চৰকাৰী আৱৰ্তভৱন পৰিদৰ্শন কৰি ১৫ অক্টোবৰত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ভৱনটো উদ্বোধন কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে তিনি চুকীয়াৰ পৰ্যটন কেন্দ্ৰ পৰিদৰ্শন কৰি এই কেন্দ্ৰসমূহৰ বুজ লোৱাৰ লগতে এখন গুৰুত্বপূৰ্ণ আলোচনাত

মিলিত হয়। তেওঁ জিলা বিজেপিৰ কাৰ্যালয়ত জিলা পৰিষদৰ সভাপতি নিৰ্বাচনৰ বাবে এখন সভাতো অংশগ্ৰহণ কৰে।

০০০০০০০০

অসম জাতীয়তাবাদী যুৱ পৰিষদৰ চতুৰ্বিংশতিতম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে ধেমাজি জিলাৰ জয়ৰামপুৰ খেলপথাৰত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত গোস্বামীলৈ জননী গৌৰৱ বঁটা আগবঢ়োৱা হয়। পৰিষদৰ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিভিন্ন জনগোষ্ঠীয় দল-সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰে।

ইপিনে, দুদিনীয়া কাৰ্যসূচীৰে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ প্ৰতিষ্ঠা দিৱস কালিৰে পৰা শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। কালি পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ, সাংগঠনিক কৰ্মশালা আদি অনুষ্ঠিত হয়। এই কৰ্মশালাৰ পিছতেই মুকলি সভা উদ্বোধন কৰা হয়। এই সভাত সংগঠনটোৱে ২০২৫ বৰ্ষৰ বাবে প্ৰাগ নিউজৰ সাংবাদিক উৎপল বৰাক সংবাদজ্যোতি বঁটা প্ৰদান কৰে। মুকলি সভাত মুক্তি জননী শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকণ প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়।

০০০০০০০০

অ'ল্ড ট্ৰেফ'ৰ্ডত চলি থকা ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চতুৰ্থ ক্ৰিকেট টেষ্টৰ কালি তৃতীয়দিনা ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৭ উইকেটৰ বিনিময়ত ৫৪৪ ৰানৰ বৃহৎ স্ক'ৰ সংগ্ৰহ কৰিছে। ইংলেণ্ডৰ তাৰকা খেলুৱৈ জ' ৰুটে ১৫০ ৰান সংগ্ৰহ কৰাৰ লগে লগে টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্বিতীয় সৰ্বাধিক ৰান কৰা খেলুৱৈ হিচাপে পৰিগণিত হয়। খেলুৱৈগৰাকীয়ে দ্বিতীয় স্থানত থকা অষ্ট্ৰেলিয়াৰ ৰিকি পইণ্টিঙৰ ১৩ হাজাৰ ৩৭৮ ৰান কালি অতিক্ৰম কৰি অভিলেখ সৃষ্টি কৰে। প্ৰথম ইনিংছৰ তিনিটা উইকেট বাকী থকা অৱস্থাত ইংলেণ্ড ভাৰতত‌কৈ ১৮৬ ৰানত আগবাঢ়ি আছে। কালি দিনটোৰ খেলৰ সামৰণিত বেন ষ্টকছে ৭৭ আৰু লিয়াম ড'ছনে ২১ ৰান কৰি বেট ধৰি আছে। উল্লেখযোগ্য যে এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পাঁচখনীয়া খেলত ইংলেণ্ডে ১-২ ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০০০

## NEWS PAPER REV. (26-07-2025) MORN

নৰেন্দ্ৰ মোদী ইন্দিৰা গান্ধীৰ পাছতে একেৰাহে দেশৰ দ্বিতীয় সৰ্বোচ্চকালৰ প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

চৰকাৰী ভূমি দখলমুক্ত কৰিবলৈ উচ্ছেদ চলিবই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত নিয়মীয়া বাৰ্তা, দৈনিক অসম, অসমীয়া খবৰ আদিৰ লগতে আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

বৰষুণ নিদিলে ৰাজ্যত খৰাং পৰিস্থিতি ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ বাতৰিক দৈনিক অগ্ৰদূত, দ্যা ছেণ্টিনেল, আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ম্যানমাৰ সীমান্তত সেনা বাহিনীৰ ড্ৰোণ অনুশীলন চলোৱাৰ বাতৰিক দ্যা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰিটেইন আৰু মালদ্বীপ ভ্ৰমণৰ বাতৰিটো আজিৰ কাকতসমূহে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

ডিব্রুগড়ত ৰাজ্যৰ দ্বিতীয় ৰাজধানী দ্বিতীয় পৰ্বৰ কামকাজ আৰম্ভ হোৱাৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতখনে তিনি সপ্তাহত দেশৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰত ৬৩ হাজাৰ কোটি টকাৰ মুদ্ৰা হ্ৰাস এই শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

তৃণমূল কৰ্মীক উছতোৱা দলীয় নেতাৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি অগপৰ সভাপতি অতুল বৰাই উল্লেখ কৰা বাতৰিক অসমীয়া খবৰ কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কাকতখনে কাজিৰঙাত মাৰাত্মক এলিফেন্ট হাৰ্পেজ ভাইৰাছত আক্ৰান্ত হৈ হাতীৰ মৃত্যু হোৱা বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যিক বিজেপিৰ ৮টা মৰ্চাৰ সভাপতি নিযুক্তি দিয়াৰ বাতৰিক অসমীয়া খবৰ কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি পোৱাৰ বাতৰিকো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আঢ়ৈ বছৰত উত্তৰ-পূব ৰে'লৰে ৯ শতাধিক সন্দেহযুক্ত অনুপ্ৰৱেশকাৰীক আটক কৰা হৈছে বুলি বিভাগটোৱে সদৰি কৰা বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহত এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

00000000

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। অসমৰ কোনো কোনো ঠাইত স্বাভাৱিক অৱস্থাতকৈ তাপমাত্ৰ তিনিৰ পৰা চাৰি ডিগ্ৰী বৃদ্ধি হ'ব পাৰে বুলি কেন্দ্ৰটোৱে জনাইছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**